**NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 08-02-2025 **Time :** 1205 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি ধেমাজী জিলাত সমগ্ৰ শিক্ষা অসমে শিক্ষকসকলৰ বাবে আয়োজন কৰা হস্তলিপি প্ৰশিক্ষণ শিবিৰ প্ৰৰিদৰ্শন কৰে। লক্ষীমপুৰ টাউন হাইস্কুলত প্ৰায় ২০০ গৰাকী শিক্ষকক এই শিবিৰত কৃত্ৰিম বুদ্ধিমত্তাৰে চালিত চফ্‌টৱেৰৰ জৰিয়তে হস্তলিপিৰ প্ৰশিক্ষণ দিয়া হৈছে। মন্ত্ৰীগৰাকীয়ে লগতে আজি ধেমাজী জিলা পৰ্যায়ৰ দ্বিতীয় খেল মহাৰণ প্ৰতিযোগিতা উদ্বোধন কৰে। জোনাই, চিচিবৰ গাওঁ আৰু ধেমাজী বিধানসভা সমষ্টিৰ ২১২ গৰাকী যুৱ খেলুৱৈয়ে অংশগ্ৰহণ কৰা এই প্ৰতিযোগিতা উদ্বোধন কৰি ডাঃ পেগুৱে কয় যে ক্ৰীড়াই কেৱল শাৰীৰিক আৰু মানসিক স্বাস্থ্য ভালেৰখাই নহয় বৰঞ্চ উজ্বল কেৰিয়াৰ আৰু নিয়োগৰ সুযোগ লাভতো সহায় কৰে।

০০০০০

গুৱাহাটীৰ জ্যোতি চিত্ৰবনত চলি থকা গুৱাহাটী এছিয়ান চলচিত্ৰ মহোৎসৱৰ আজি দ্বিতীয় দিনা দেশী-বিদেশী ভালেকেইখন চলচ্চিত্ৰ প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হৈছে।জ্যেতি চিত্ৰবনৰ ৰুদ্ৰ বৰুৱা প্ৰেক্ষাগৃহত আজি মৃদুল গুপ্তা পৰিচালিত কাৰ্বি ছবি **মিৰবিন** আৰু ডঃ ভূপেন হাজৰিকা প্ৰেক্ষাগৃহত চীনৰ ছবি **দ্যা গ্ৰেট ফুকেট** প্ৰদৰ্শিত হ'ব। মহোৎসৱৰ কালি উদ্বোধনী অনুষ্ঠানত বিশিষ্ট অভিনেত্ৰী শিৱা চান্দা, শ্ৰীলংকাৰ চলচ্চিত্ৰ পৰিচালক প্ৰচন্ন ভিথানাগে চিত্ৰনাট্যকাৰ আকাশাদিত্য লামা আৰু ৰাষ্ট্ৰীয় পুৰস্কাৰপ্ৰাপ্ত ছবি নিৰ্মাতা মঞ্জু বৰা বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে। কালিৰ কাৰ্যসূচীত চলচ্চিত্ৰ নিৰ্মাণ বিষয়ত এখন আলোচনাচক্ৰও অনুষ্ঠিত হয়। এই আলোচনাত চলচ্চিত্ৰ নিৰ্মাণৰ সৈতে জড়িত কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

তিনিদিনীয়া এই চলচ্চিত্ৰ মহোৎসৱত ইৰাণ, নেপাল, উজবেকিস্তান, কাজাখস্তান, বাংলাদেশ, হংকং, আজাৰবাইজান, ফিলিপিন্‌ছ, শ্ৰীলংকা আৰু তুৰস্কৰ কুৰিখন নিৰ্বাচিত ছবি প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ লগতে মহোৎসৱৰ প্ৰতিযোগিতামূলক শাখাত উত্তৰ-পূৰ্বাঞ্চলৰ ভালেকেইখন ছবি প্ৰদৰ্শনৰো দিহা কৰা হৈছে।

০০০০

যোৰহাটৰ ম'হবন্ধা এৰালতলী পথাৰৰ বৈষ্ণৱ পণ্ডিত সোণাৰাম চুতীয়া সমন্বয় ক্ষেত্ৰত চলি থকা শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯৪ সংখ্যক বাৰ্ষিক অধিবেশনৰ আজি তৃতীয় দিনা নাম-প্ৰসংগ, মুকলি সভা, সাংস্কৃতিক শোভাযাত্ৰা আদিকে ধৰি বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। পৰিৱেশ নিকাকৰণ আৰু প্ৰাতঃ প্ৰসংগৰে আৰম্ভ হোৱা আজিৰ কাৰ্যসূচীত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নৱনিৰ্বাচিত পদাধিকাৰ ভৱেন্দ্ৰ নাথ ডেকাই অধিৱেশনৰ ধৰ্মধ্বজা উত্তোলন কৰে। ইয়াৰ পাছত ভাগৱত ভ্ৰমণ আৰু বাৰেৰহনীয়া সাংস্কৃতিক শোভাযাত্ৰাৰ আয়োজন কৰা হৈছে। ৰাজ্যৰ ভিন্ন প্ৰান্তৰ পৰা অহা বহুসংখ্যক ভক্ত, যুৱক-যুৱতী, মহিলা তথা বিভিন্ন জাতি-

ধৰ্মৰ লোকে এই শোভাযাত্ৰাত অংশগ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আজি অধিৱেশনৰ মূল সভাত মুখ্য অতিথি হিচাপে উপস্থিত থকাৰ কথা আছে।

০০০০০

৭০ জনীয়া দিল্লী বিধানসভা নিৰ্বাচনৰ ভোটগণনা ১১খন জিলাৰ ১৯টা কেন্দ্ৰত চলি আছে। বিজেপিয়ে বৰ্তমান ৪০ খন আসনত আগবাঢ়ি থকাৰ বিপৰীতে আম আদমী পাৰ্টী ৩০খন আসনত আগবাঢ়ি আছে। দিল্লী এন চি টিৰ প্ৰায়ভাগ আসনতে কংগ্ৰেছৰ প্ৰাৰ্থীসকল পিছপৰি আছে। আপৰ মুখ্য আহ্বায়ক অৰবিন্দ কেজৰিৱাল নতুন দিল্লী সমষ্টিত আগবাঢ়ি আছে। ০০০০

০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ দৃষ্টিপাত অনুষ্ঠানত আজি নিশা ৮ বাজি ২ মিনিটত পৰীক্ষাৰ সময়ত পৰীক্ষাৰ্থীৰ মানসিক চাপ আৰু ইয়াৰ সমাধান সন্দৰ্ভত এটি আলোচনা প্ৰচাৰ কৰা হ'ব। আলোচনাত অসম জাতীয় বিদ্যালয়ৰ শিক্ষয়িত্ৰী অপৰ্ণা দেৱী আৰু মনোৰোগ বিশেষজ্ঞ ডাঃ মৈথিলী হাজৰিকাই অংশগ্ৰহণ কৰিব। এই আলোচনাৰ আঁত ধৰিব অৰুণিমা গোস্বামীয়ে। অনুষ্ঠান চলি থকা সময়ত শ্ৰোতাসকলে ০৩৬১-২৬৬১৮৭৬ আৰু ২৬৬২৩২৫ নম্বৰলৈ ফোন কৰি অনুষ্ঠানটোত পোনপটীয়াকৈ অংশ ল'ব পাৰিব।

০০০০০০

আকাশবাণীৰ গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে কাইলৈ সন্ধিয়া ৭ বাজি ৪৫ মিনিটৰ সংবাদ **চলন্তিকাত গুৱাহাটী মহানগৰীৰ জীৱনযাত্ৰা** শৃংখলাৰ প্ৰথমটো অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত তথাকথিত সৰু সৰু মানুহৰ জীৱন সংগ্ৰাম- তেওঁলোকৰ নিজ মুখেৰেই শুনিবলৈ পাব। অনুষ্ঠানটোৰ উপস্থাপন আৰু পৰিকল্পনা আকাশবাণীৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০০

বিশ্ব ঐতিহ্য ক্ষেত্ৰ মানাহ ৰাষ্ট্ৰীয় উদ্যানত শেহতীয়াকৈ পৰিভ্ৰমী পক্ষীকে ধৰি বিভিন্ন প্ৰজাতিৰ থলুৱা পক্ষীৰ সংখ্যা বৃদ্ধি পাইছে বুলি উদ্যান কৰ্তৃপক্ষই প্ৰকাশ কৰিছে। ৰাষ্ট্ৰীয় উদ্যানখনত পূৰ্বতকৈ পক্ষীৰ সংখ্যা বৃদ্ধি পোৱাত পৰ্যটকসকলে ম'ৰা চৰাইৰ নান্দনিক পেখম মেলাৰ দৃশ্যকে ধৰি সহজতে অন্যান্য পক্ষী প্ৰত্যক্ষ কৰি আপ্লোত হৈছে বুলি কৰ্তৃপই লগতে জানিবলৈ দিছে। ০০০

০০০০

বাক্সা জিলাৰ অঞ্চলীৰ সমীপৰ সৈন্যাসী শিৱ ধামত আজিৰে পৰা ৫ দিনীয়া কাৰ্যসূচীৰে অষ্টাদশ বাৰ্ষিক ভৈমী একাদশী পালন কৰা হৈছে। এই উপলক্ষে আজি পুৱা জলাৰূহণ, উষা কীৰ্তন, প্ৰতীকি পতাকা উত্তোলন আদি বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হয়। ককলাবাৰী পৰিষদীয় সমষ্টিৰ পাৰিষদ মণ্টু বড়োৱে মূল মন্দিৰৰ দুৱাৰ উন্মোচন কৰে। ০০০০

০০০০

০০০০